# অসমীয়া (Assamese)

নিৰ্ধাৰণ পত্ৰ

২২৮ (228)

(১ নং পাঠৰ পৰা ৩৫ নং পাঠলৈ)

নিৰ্দেশাৱলী মুঠ নম্বৰ: ২০

১) প্ৰতিটো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ নম্বৰ কাষত দিয়া আছে।

২) উত্তৰ বহীত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নামৰ বিষয়ে স্পষ্টকৈ লিখিবা।

## প্ৰথম ভাগ: পদ্যাংশ (Poetry)

১) তলত দিয়া যি কোনো এটি প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা। (৪০ ৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

১x২=২

(ক) "নতুন ৰহণ ঢালি"- 'নতুন ৰহণ' শব্দৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিছে "জীৱন জেউতি" কবিতাৰ আলমত বুজাই লিখা (পাঠ নং- ৮)

(খ) "তই মানুহৰ মনৰ ভাৱ কি বুজিবি"- কেতেকীক উদ্দেশ্যি কোৱা বাক্যটিৰ ভাৱটি নিজৰ ভাষাত প্ৰকাশ কৰা।(পাঠ নং- ১৫)

(গ) "শান্তিৰ চৰাই যুৰিক" কবিয়ে কি দিব বুলি কৈছে-"মোৰ দেশ" কবিতাৰ সহায়ত বৰ্ণনা কৰা ।(পাঠ নং- ২৬)

(ঘ) বিদেশীৰ চকু থিৰ হোৱাৰ কাৰণ কি বুলি কবিয়ে "গড়গাওঁ" কবিতাত প্ৰকাশ কৰিছে বুজাই লিখা (পাঠ নং-৩০)

২) তলত উল্লেখ কৰা যিকোনো এটা প্ৰশ্নৰ উত্তৰ বহলাই লিখা (১৫০ৰ পৰা ২০০ টা শব্দৰ ভিতৰত)।

১x৪= ৪

(ক) কবিয়ে কিয় পুনৰ নিজ জন্মভূমিত জন্ম ল'ব বিচাৰিছে "জনমভূমি" কবিতাৰ সহায়ত বিচাৰ কৰা। (পাঠ নং- ১)

(খ) "কাকূতি" (বৰগীত) ৰ মাজেৰে প্ৰকাশ পোৱা আধ্যাত্মিক ভাৱৰ এটি আভাষ দিয়া।(পাঠ নং-১৮)

(গ) "জীৱন আৰু সময়"ৰ মাজৰ সাদৃশ্য কিদৰে "জীৱন জেউতি" কবিতাত কবিয়ে প্ৰকাশ কৰিছে নিজৰ ভাষাৰে বৰ্ণনা কৰা ।(পাঠ নং- ৮)

(ঘ) “মোৰ দেশ” কবিতাত প্ৰকাশ পোৱা স্বদেশ প্ৰেমৰ এটি আভাষ নিজৰ ভাষাৰে বৰ্ণনা কৰা ।(পাঠ নং- ২৬)

**দ্বিতীয় ভাগ: গদ্যাংশ (Prose)**

৩) নিম্নলিখিত যিকোনো এটি প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা । (৪০ টা শব্দৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

১x২=২

(ক) “কাজিৰঙা হায় কিমান দুৰ”- ? লেখকৰ মনত কিয় এই ভাৱৰ উদয় হৈছিল-“নিউয়ৰ্ক” ভ্ৰমণ পাঠৰ আলমত লিখা। (পাঠ নং-৩)

(খ) “কবচ কাপোৰ কি”? ‘চিঠিৰ আৰ্হি’ প্ৰৱন্ধৰ সহায়ত বুজাই লিখা। (পাঠ নং-৬)

(গ) “মগনীয়াৰ মাহ বুলিলে কি বুজা”- “বতৰটো ফৰকাল” নামৰ গল্পৰ আলমত বিচাৰ কৰা। (পাঠ নং-৯)

(ঘ) গোপীনাথ বৰদলৈৰ “অসম গঢ়াৰ সপোন” ৰ ভাৱটি পাঠৰ সহায়ত লিখা। (পাঠ নং-১২)

৪) তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা। (৪০ টা শব্দৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

১x২= ২

(ক) অসমৰ ওজাপালি সম্বন্ধে পাঠৰ আলমত এটি আভাষ দিয়া।(পাঠ নং-২০)

(খ) বন্যপ্ৰাণী সংৰক্ষণৰ উদ্দেশ্য পাঠৰ সহায়ত বুজাই লিখা। (পাঠ নং-২৪)

(গ) দোলনৰ খংটো দুগুণ হ’ল কিয়? “প্ৰতিশোধ” গল্পৰ সহায়ত প্ৰকাশ কৰা। (পাঠ নং-২৯)

(ঘ) “আঠু-মূৰ ডাঙৰ হ’ল”- কথাষাৰৰ তাৎপৰ্য্য বুৰঞ্জীমূলক পাঠ “লতাকটা ৰণ” নামৰ প্ৰৱন্ধৰ সহায়ত বিচাৰ কৰা ।(পাঠ নং-৩২)

৫) তলত উল্লেখ কৰা যিকোনো এটা প্ৰশ্নৰ উত্তৰ বহলাই লিখা ।(১৫০ৰ পৰা ২০০ টা শব্দৰ ভিতৰত)

১x৪= ৪

(ক) “দুখীয়াৰনো আইন কানুন কি”- কথাষাৰ ঘুনুচাৰ জীৱনত কেনেকৈ প্ৰযোজ্য হৈছে “ঘুনুচা” গল্পটিৰ সহায়ত বুজাই লিখা। (পাঠ নং-২)

(খ) “গোজেই গজালি হ’ল” কাক উদ্দেশ্য কৰি, কি প্ৰসংগত এই কথাষাৰ কোৱা হৈছিল? “ভাৰতৰ মুক্তি যুঁজত অসমৰ অৱদান”- প্ৰৱন্ধৰ আলমত বিশ্লেষণ কৰা। (পাঠ নং-১১)

(গ) “বৰবৰুৱাৰ চ’তৰ বিহুৰ নাচোন এপাক নাচিবৰ মন গৈছে”- ব্যংগাত্মক বিষয়েৰে ৰচিত পাঠ- “বৰবৰুৱাৰ গাত চ’তৰ বিহু” নামৰ প্ৰৱন্ধৰ সহায়ত বুজাই লিখা। (পাঠ নং-২১)

(ঘ) “মৌলিক অধিকাৰ সম্বন্ধে”- “মানৱ অধিকাৰ” নামৰ পাঠটিৰ সহায়েৰে বুজাই লিখা। (পাঠ নং-৩১)

৬) তলত উল্লেখ কৰা এটি বিষয়ৰ ওপৰত এখনি আঁচনি (Project) যুগুত কৰা। ১x৬= ৬

(ক) তৰ্ক প্ৰতিযোগিতা (Debate)

(স্তৰ বিন্যাস) সূচনা- Debate কি? শিক্ষা জীৱনত তৰ্ক প্ৰতিযোগিতাৰ প্ৰভাৱ- তোমাৰ বিদ্যালয়ত তৰ্ক প্ৰতিযোগিতাৰ সভা হয় নে? তুমি এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰানে? বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতাৰ প্ৰতি আকৰ্ষণ আছে নে? শিক্ষা জীৱনত “Debate” ৰ ভূমিকা আৰু গুৰুত্বৰ এক খতিয়ান যুগুত কৰি এখনি আঁচনি প্ৰস্তুত কৰা।

(খ) পুথিভঁৰাল (Library)

(স্তৰ বিন্যাস)- আৰম্ভণি:- পুথিভঁৰাল বুলিলে কি বুজা- শিক্ষা জীৱনত পুথিভঁৰালৰ গুৰুত্ব- তোমাৰ বিদ্যালয়ত পুথিভঁৰাল আছেনে? তুমি বিদ্যালয়ৰ পুথিভঁৰালৰ নিয়মীয়া পাঠক নে- পুথিভঁৰালে ছাত্ৰ-ছাত্ৰীৰ লগতে মানৱ সমাজ গঢ়াত কি ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ এটি সমীক্ষা যুগুত কৰি এখনি আঁচনি প্ৰস্তুত কৰা।

(গ) স্বাস্থ্য (Health)

(স্তৰ বিন্যাস) সূচনা-স্বাস্থ্য বুলিলে কি বুজা- স্বাস্থ্যৰ প্ৰতি আমি কেনেকৈ সজাগ থাকিব লাগে- “দেহা থাকিলেহে বেহা”- প্ৰবাদটি তুমি বিশ্বাস কৰা নে ? তুমি বাৰু স্বাস্থ্যৰ প্ৰতি কিমান সজাগ- আমি সকলোৱে কিয় স্বাস্থ্যৰ ওপৰত সজাগ হ’ব লাগে বা সাৱধানতা অৱলম্বন কৰিব লাগে ইয়াৰ ওপৰত এটি চিন্তামূলক ধাৰণাৰে এখনি আঁচনি যুগুত কৰা।

(ঘ) প্ৰিয় গ্ৰন্থকাৰ (Favourite Author)

(স্তৰ বিন্যাস)- আৰম্ভণি- প্ৰিয় লেখকৰ নাম, পৰিচয়-সাহিত্যৰ ৰচনাৱলী, লেখকৰ ৰচিত তোমাৰ প্ৰিয় গ্ৰন্থৰ নাম- কিয় তোমাৰ অতি প্ৰিয়? সমাজত প্ৰিয় লেখকৰ ভূমিকা- আদি বিষয়ৰ এটি টোকা সংগ্ৰহ কৰি এখনি আঁচনি যুগুত কৰা।